**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহিলাসকলক ডাঙৰ সপোন দেখিবলৈ আৰু এই সপোন বাস্তৱায়িত কৰাৰ বাবে সাহস, শক্তি আৰু ক্ষমতা আহৰণ কৰিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ আমন্ত্ৰণমৰ্মে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভ্ৰমণ সামৰি কালি নতুন দিল্লীত উপস্থিত হয়।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি জম্মুৰ কাট্ৰাৰ শ্ৰীমাতা বৈষ্ণো দেৱী বিশ্ববিদ্যালয়ৰ দশম সমাৱৰ্তনত সভাপতিত্ব কৰিব।

৪। উত্তৰাখণ্ডৰ হল্ড'ৱানীত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কালি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশেনেৰে সামৰণি পৰে। **আৰু**

৫। হংকঙত চলি থকা এছিয়ান জুনিয়ৰ টীম স্কোৱাছ চেম্পিয়নশ্বিপত ভাৰতৰ ছোৱালী আৰু ল'ৰা দুয়োটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে দেশৰ নাৰী শক্তি আকাংক্ষা, উপলব্ধি আৰু অৱদানৰ বাবে আগবাঢ়ি গৈছে। ৰাষ্ট্ৰপতিয়ে মহিলাসকলক ডাঙৰ সপোন দেখিবলৈ আৰু এই সপোন বাস্তৱায়িত কৰাৰ বাবে সাহস, শক্তি আৰু ক্ষমতা আহৰণ কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি কৰ্ণাটকৰ বেংগালুৰুত **দা আৰ্ট অৱ লিভিং** আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰই অনুষ্ঠিত কৰা দশম আন্তঃৰাষ্ট্ৰীয় মহিলা সন্মিলনত ভাষণ দি এইদৰে কয়। তেওঁ কয়, যে মহিলাসকল নিৰ্ভীক হোৱাৰ লগতে অভিলাসী লক্ষ্য নিৰ্ধাৰণ কৰিব লাগিব, বাধাসমূহ দূৰ কৰিব লাগিব আৰু কুসংস্কাৰক প্ৰত্যাহ্বান জনাব লাগিব। প্ৰতিগৰাকী মহিলাৰে মমতাৰ জৰিয়তে নেতৃত্ব দিয়াৰ বিশেষ ক্ষমতা আছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়। মানসিক স্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, যে পৰিয়াল, সমাজ আৰু বিশ্বলৈ অৰিহণা যোগোৱাৰ ক্ষমতা অৰ্জন কৰিবলৈ মানসিক স্বাস্থ্য মৌলিক উপাদান। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে মাজে সময়ে সামাজৰ সাংস্কৃতিক নীতি-নিয়মে মহিলাসকলক তেওঁলোকৰ আৱেগ প্ৰকাশ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ আমন্ত্ৰণমৰ্মে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভ্ৰমণ সামৰি কালি নতুন দিল্লীত উপস্থিত হয়। ড'নাল্ড ট্ৰাম্পে দ্বিতীয়বাৰৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত শ্ৰীমোদীৰ এয়া আছিল প্ৰথম আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে

ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ৱাশ্বিংটনত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। হোৱাইট হাউছত প্ৰায় ৪ ঘণ্টা ধৰি চলা এই আলোচনাত কৌশলগত আৰু নিৰাপত্তা সহযোগিতা, প্ৰতিৰক্ষা, বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক, প্ৰযুক্তি, শক্তি সুৰক্ষা আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত আলোচনা কৰা হয়। দুয়োগৰাকী নেতাই যুটীয়াভাৱে ২১ শতিকাৰ বাবে **ইউ এছ-ইণ্ডিয়া কম্পেক্ট** মুকলি কৰে। কম্পেক্টৰ অৰ্থ হৈছে- সামৰিক অংশীদাৰিত্ব, বাণিজ্যৰ প্ৰসাৰ আৰু প্ৰযুক্তিৰ বিভিন্ন ক্ষেত্ৰত সুযোগ সৃষ্টি কৰা। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ ক্ষেত্ৰত ২০৩০ চনৰ ভিতৰত পাৰস্পৰিক বাণিজ্য ৫০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে **মিছন ফাইভ হাণ্ড্ৰেড** মুকলি কৰে। তেওঁলোকে লগতে এই প্ৰক্ৰিয়াক আগবঢ়াই নিবৰ বাবে চলিত বৰ্ষৰ শেষলৈ পাৰস্পৰিকভাৱে লাভান্বিত হ'ব পৰা বহু ক্ষেত্ৰীয় দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ প্ৰথম পৰ্যায়ৰ আলোচনাৰ পৰিকল্পনাৰ কথা ঘোষণা কৰে। একেদৰে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ কৌশলগত অংশীদাৰিত্বৰ সহযোগিতাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা থকা প্ৰতিৰক্ষাৰ বিষয়ত আলোকপাত কৰি নেতা দুগৰাকীয়ে ২১ শতিকাৰ ভাৰত-আমেৰিকা প্ৰতিৰক্ষা অংশীদাৰিত্বৰ বাবে নতুন ১০ বছৰৰ পৰিকাঠামোক নিশ্চিত কৰাৰ কথাও ঘোষণা কৰে। তেওঁলোকে লগতে স্থল আৰু বায়ু সেনাৰ উপৰি সহ উৎপাদন চুক্তিসমূহৰ বিভিন্ন ক্ষেত্ৰত চলি থকা প্ৰতিৰক্ষা সামগ্ৰী ক্ৰয় আলোচনাসমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহমতৰ পোষকতা কৰে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ দ্বিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ১০ৰ পৰা ১২ ফেব্ৰুৱাৰীলৈ ফ্ৰান্স ভ্ৰমণ কৰে। এই ভ্ৰমণকালত তেওঁ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তা কাৰ্য সন্মিলনত সহ-অধ্যক্ষতা কৰে। তেওঁলোকে লগতে মাৰ্শ্বেইত ভাৰতৰ নতুন বাণিজ্য দূতাবাস যুটীয়াভাৱে মুকলি কৰে।

00000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে ভাৰতৰ গণতন্ত্ৰ বিশ্বৰ আটাইতকৈ পুৰণি গণতন্ত্ৰ আৰু গণতন্ত্ৰত মত প্ৰকাশৰ স্বাধীনতা অতি গুৰুত্বপূৰ্ণ। শ্ৰীধনখড়ে কালি মধ্যপ্ৰদেশ ভ্ৰমণ কৰি ৰাষ্ট্ৰীয় ন্যায়িক একাডেমীত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে **এক পেড় মা কে নাম** অভিযানৰ অধীনত এটা গছপুলি ৰোপণ কৰে।

00000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি দুদিনীয়া ভ্ৰমণসূচীৰে জম্মুলৈ যাব। এই ভ্ৰমণকালত তেওঁ কাট্ৰাৰ শ্ৰীমাতা বৈষ্ণো দেৱী বিশ্ববিদ্যালয়ৰ দশম সমাৱৰ্তনত সভাপতিত্ব কৰিব। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মাতা বৈষ্ণো দেৱী মন্দিৰত পূজা-অৰ্চনা কৰাৰ লগতে ৰিয়েচী জিলাত ত্ৰিকূটা পৰ্বতত ভেইৰণজী মন্দিৰ দৰ্শন কৰিব।

00000

গাজা ষ্ট্ৰিপত পেলেষ্টাইনী সশস্ত্ৰ গোট হামাছে আজি মুকলি কৰি দিবলগীয়া তিনিজন পণবন্দীৰ নাম ইজৰাইলে ঘোষণা কৰিছে। যোৱা মাহত স্বাক্ষৰ হোৱা যুদ্ধ বিৰতিৰ চুক্তিৰ অধীনত ষষ্ঠবাৰৰ বাবে পণবন্দীকেইজনক মুকলি কৰি দিয়া হ'ব। ইজৰাইলক কাটাৰী আৰু ইজিপ্তৰ মধ্যস্থতাকাৰীৰ জৰিয়তে পণবন্দী

লোককেইজনৰ তথ্য দিয়া হয় হামাছৰ কয়দী সংবাদ বিষয়াই প্ৰকাশ কৰা অনুসৰি এই তিনিজন পণবন্দীৰ বিপৰীতে ইজৰাইলে ৩৬৯ গৰাকী পেলেষ্টানী কয়দী মুকলি কৰি দিব বুলি আশা কৰা হৈছে।

00000

পাকিস্তানত, বালুচিস্তান প্ৰদেশৰ হৰনাইৰ শ্বাহৰাগ অঞ্চলত সংঘটিত এটা বোমা বিস্ফোৰণত কমেও ১১ জন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে ৭ জন শ্ৰমিক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। বিভাগীয় সূত্ৰৰ তথ্য অনুসৰি কয়লাখনিত কাম কৰা শ্ৰমিক কঢ়িয়াই নিয়া এখন বাহন পথেৰে গৈ থাকোতেই বোমাটো বিস্ফোৰণ হয়। হাৰনাইৰ উপ-আয়ুক্ত হজৰত ৱালি ককৰে কয়, যে পথত স্থাপন কৰা আই ই ডিৰ দ্বাৰা বিস্ফোৰণটো সংঘটিত কৰোৱা হৈছে বুলি  সন্দেহ কৰা হৈছে। লোকসকলক ইতিমধ্যে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

উল্লেখযোগ্য যে, শেহতীয়াকৈ বালুচিস্তানৰ শ্বাহৰাগ অঞ্চলত কেইবাটাও বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। অঞ্চলটোত চলি থকা কয়লা খনিসমূহৰ কাম-কাজত ব্যাঘাত জন্মোৱাৰ উদ্দেশ্যেই এই বিস্ফোৰণ সমূহ ঘটোৱা হৈছে বুলি অনুমান কৰা হৈছে।

00000

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মাস্কটত ১৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া দুদিনীয়া ভাৰত মহাসাগৰ সন্মিলনৰ সময়ত বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ উপদেষ্টা মহম্মদ চৌহিদ হুছেইনৰ সৈতে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হোৱাৰ সম্ভাৱনা আছে। ওমানৰ বিদেশ মন্ত্ৰী আৰু ভাৰতৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীগৰাকীয়ে বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টাগৰাকীক এই সন্মিলনত ভাগ ল'বলৈ আমন্ত্ৰণ জনাইছে। ভাৰত আৰু ওমানৰ বৈদেশিক মন্ত্ৰালয়ে যুটীয়াভাৱে এই সন্মিলনৰ আয়োজন কৰিছে। সাগৰীয় অংশদাৰিত্ব ক্ষেত্ৰত নতুন দিশৰ উন্মোচন শীৰ্ষৰে চলিত বছৰত এই সন্মিলনৰ আয়োজন কৰা হৈছে। ৩০খন দেশৰ অংশগ্ৰহণেৰে ২০১৬ চনত ছিংগাপুৰত ভাৰত মহাসাগৰ সন্মিলন আৰম্ভ কৰা হৈছিল। এই সন্মিলন বিগত ৮ বছৰত দেশসমূহৰ বিভিন্ন আঞ্চলিক বিষয় সন্দৰ্ভত আলোচনাৰ মঞ্চ হিচাপে পৰিগণিত হৈছে। সাগৰ দৃষ্টিভংগীৰ অংশ হিচাপে এই সন্মিলনে দেশসমূহৰ বিকাশ আৰু সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে এখন সমূহীয়া মঞ্চ প্ৰদান কৰিছে।

00000

উত্তৰাখণ্ডৰ হল্ড'ৱানীত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কালি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে সামৰণি পৰে। সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে উত্তৰাখণ্ড চৰকাৰক অভিনন্দন জনায়। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহক সেউজ ক্ৰীড়া বুলি প্ৰশংসা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰাখণ্ডই সমগ্ৰ দেশকে পৰিৱেশ অনুকুল ক্ৰীড়া অনুষ্ঠিত কৰাৰ এটা উদাহৰণ দাঙি ধৰিলে। শ্ৰীশ্বাহে খেলো ইণ্ডিয়া আৰু ফিট ইণ্ডিয়াৰ দৰে পদক্ষেপসমূহৰ সফলতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কয়, যে এনেধৰণৰ কাৰ্যসূচীসমূহে দেশৰ ক্ৰীড়া সংস্কৃতিক শক্তিশালী কৰি তুলিছে। তেওঁ যুৱ এথলীটসকলক উৎসাহিত কৰি কয়, যে দৃঢ়তা আৰু চেষ্টাই হৈছে সফলতাৰ মূল ছাবিকাঠি। এই অনুষ্ঠানতে গৃহমন্ত্ৰীগৰাকীয়ে ২০৩৬ চনত অলিম্পিক গেমছ আয়োজন কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰি ইয়াৰ বাবে দেশ সম্পূৰ্ণৰূপে সাজু বুলি উল্লেখ কৰে। তেওঁ লগতে কয়, যে ২০১৪ চনত ক্ৰীড়া বাজেটত ৮০০ কোটি টকা ধাৰ্য কৰাৰ পৰিৱৰ্তে বৰ্তমান এই পৰিমাণ

৩ হাজাৰ ৮০০ কোটি টকালৈ  বৃদ্ধি কৰা হৈছে। শ্ৰীশ্বাহে ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ মেঘালয়ত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে।  তেওঁ লগতে কয়, যে মেঘালয়ে চৰকাৰে এই ক্ৰীড়া সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতা আন ছখন উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যতো অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে বুলি প্ৰকাশ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষাই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণিৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছতে গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পতাকা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ হাতত অৰ্পণ কৰে।

০০০০০

হংকঙত চলি থকা এছিয়ান জুনিয়ৰ টীম স্কোৱাছ চেম্পিয়নশ্বিপত ভাৰতৰ ছোৱালী আৰু ল'ৰা দুয়োটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় ছোৱালী দলটোৱে পুল-বিত দ্বিতীয় স্থান দখল কৰি অন্তিম চাৰিটা দলত স্থান লাভ কৰিছে। পুল পৰ্যায়ত অনাহত সিঙে আটাইকেইখন খেলত জয়লাভ কৰে। ছোৱালী দলটোৱে আজি ছেমি ফাইনেলত ঘৰুৱা দল হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতৰ ল'ৰাৰ দলটোৱে হংকঙক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। দলটোৱে আজি ছেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত